**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটলৈ যাব। প্ৰধানমন্ত্ৰীয়ে সোমনাথ স্বাভিমান পৰ্বকে ধৰি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

২। চলিত বৰ্ষৰ ৩১ মাৰ্চৰ পৰা মাদক দ্ৰব্যৰ বিৰুদ্ধে সামূহিকভাৱে দেশজোৰা অভিযান আৰম্ভ কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। ভাৰতীয় ৰে'লৱে গোলকীয় মান নিৰ্ধাৰণ কৰিব পৰা এটা স্থিতিত উপনীত হৈছে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে।

৪। হিমাচল প্ৰদেশৰ ছিৰম'ৰ জিলাৰ হৰিপুৰধাৰৰ সমীপত এখন যাত্ৰীবাহী বাছ দ খাৱৈত বাগৰি পৰাৰ ফলত ১৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেকেইজন লোক গুৰুতৰভাৱে আহত হয়। *আৰু*

৫। ভাৰতৰ পি ভি সিন্ধুয়ে আজি কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটলৈ যাব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে সোমনাথ স্বাভিমান পৰ্বকে ধৰি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে লগতে ৰাজকোট, আহমেদাবাদ আৰু গান্ধীনগৰত কেইবাটাও উন্নয়নমূলক আৰু ৰাজনৈতিক কাৰ্যসূচীত অংশ ল'ব। উল্লেখযোগ্য যে গিৰ সোমনাথ জিলাৰ উপকুলীয় চহৰ ভেৰাভলত যোৱা বৃহস্পতিবাৰৰ পৰা চাৰিদিনীয়াকৈ সোমনাথ স্বাভিমান পৰ্ব অনুষ্ঠিত হৈছে। ১০২৬ চনৰ জানুৱাৰীত গজনীৰ মহম্মদে প্ৰথমবাৰৰ বাবে সোমনাথ মন্দিৰত আক্ৰমণ কৰিছিল। ১৯৫১ চনত নতুনকৈ নিৰ্মাণ কৰা সোমনাথ মন্দিৰৰ এইবছৰতে ৭৫ বছৰ সম্পূৰ্ণ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া সোমনাথ মন্দিৰত ওমকাৰ মন্ত্ৰোচ্চাৰণ কাৰ্যসূচীত অংশ ল'ব। তেওঁ লগতে মন্দিৰত এটা ড্ৰোন প্ৰদৰ্শনী উপভোগ কৰিব। শ্ৰীমোদীয়ে কাইলৈ শতিকাজুৰি সোমনাথ মন্দিৰৰ ৰক্ষাৰ বাবে জীৱন আহুতি দিয়া হাজাৰ হাজাৰ যোদ্ধাৰ সন্মানাৰ্থে আয়োজন কৰা সৌৰ্য যাত্ৰা শীৰ্ষক শোভাযাত্ৰাত ভাগ ল'ব। তেওঁ লগতে সোমনাথ স্বাভিমান পৰ্ব উপলক্ষে এখন জনসভাত অংশগ্ৰহণ কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজকোটলৈ যাব আৰু তাত তেওঁ মাৰোৱাৰী বিশ্ববিদ্যালয়ত কাচ্চ আৰু সৌৰাষ্ট্ৰ খণ্ডৰ ভাইব্ৰেণ্ট গুজৰাট আঞ্চলিক সন্মিলন উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে এখন সভাত জনসাধাৰণক উদ্দেশি ভাষণ দিব। তেওঁ এই সন্মিলনতে বাণিজ্য মেলা আৰু প্ৰদৰ্শনী উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পাছত আহমেদাবাদত নগৰীয়া পৰিবহণ আন্তঃগাঁথনি বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আহমেদাবাদ মেট্ৰ'ৰ দ্বিতীয় পৰ্যায় মুকলি কৰিব। অহা সোমবাৰে তেওঁ আহমেদাবাদত

জাৰ্মান চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জৰ সৈতে দ্বিপাক্ষিক আলোচনাত ভাগ ল'ব। দুয়োগৰাকী নেতাই সবৰমতি আশ্ৰম পৰিদৰ্শন কৰাৰ উপৰি আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱ উপভোগ কৰিব।

ooooo

চলিত বৰ্ষৰ ৩১ মাৰ্চৰ পৰা মাদকদ্ৰব্যৰ বিৰুদ্ধে সামূহিকভাৱে দেশজোৰা অভিযান আৰম্ভ কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰিছে। তিনি বছৰ ধৰি চলিবলগীয়া এই অভিযানৰ লক্ষ্য হৈছে দেশখনক নিচামুক্ত কৰা। নতুন দিল্লীত কালি এন চি অ' আৰ ডিৰ মাদকদ্ৰব্য সহযোগিতা কেন্দ্ৰৰ নৱম শীৰ্ষ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰি শ্ৰী শ্বাহে এই কথা ঘোষণা কৰে। তেওঁ কয় যে ড্ৰাগছৰ বিৰুদ্ধে যুঁজত কেন্দ্ৰীয় চৰকাৰৰ সকলো বিভাগে ২০২৯ চনলৈকে এখন নক্সা প্ৰস্তুত কৰি ইয়াৰ কাৰ্যকৰীকৰণৰ বাবে সময়সীমাবদ্ধ পৰ্যালোচনা ব্যৱস্থা স্থাপন কৰিব লাগে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে এই ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিছে। নিচামুক্ত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ শ্ৰী শ্বাহে মাদকদ্ৰব্য যোগান শৃংখল ভাঙি পেলোৱাৰ দিশত সামূহিক আৰু শূন্য সহনশীলতা পন্থা গ্ৰহণ কৰাৰ লগতে চাহিদা হ্ৰাসৰ দিশত কৌশলগত পন্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি, ২০১৪ চনৰ পৰা ২০২৫ চনৰ ভিতৰত এক কোটি এঘাৰ লাখ কিলোগ্ৰাম ওজনৰ আৰু এক লাখ একসত্তৰ হাজাৰ কোটি টকাৰ ড্ৰাগছ জব্দ কৰা হৈছে। তেওঁ লগতে এই সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ ৩১ মাৰ্চৰ ভিতৰত সকলো বিভাগকে নিজৰ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। গৃহমন্ত্ৰীগৰাকীয়ে ড্ৰাগছৰ বিৰুদ্ধে যুঁজত ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰি ৰাজ্যিক পৰ্যায়ৰ পৰিকল্পনা প্ৰস্তুত কৰি জব্দ কৰা ড্ৰাগছ সময়মতে ধ্বংস কৰাৰ বাবে সুনিৰ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰিবলৈ সকলো আৰক্ষী সঞ্চালক প্ৰধানক আহ্বান জনায়।

ooooo

ভাৰতীয় ৰে'লৰে গোলকীয় মান নিৰ্ধাৰণ কৰিব পৰা এটা স্থিতিত উপনীত হৈছে আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালনৰ বাবে সাজু আছে। নতুন দিল্লীত কালি ৰে'লৱেৰ ১০০ গৰাকী বিষয়াক ৭০ সংখ্যক অতি বিশিষ্ট ৰে'ল সেৱা পুৰস্কাৰ প্ৰদান কৰি দিয়া ভাষণত ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইদৰে কয়। এই অনুষ্ঠানতে শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা ৰে'লৱে সংমণ্ডলক পুৰস্কাৰ স্বৰূপে ২৬ শ্বিল্ড প্ৰদান কৰা হয়। ভাৰতীয় ৰে'লৱেলৈ আগবঢ়োৱা অসাধাৰণ আৰু নিদৰ্শনমূলক সেৱাৰ স্বীকৃতি স্বৰূপে এই পুৰস্কাৰ প্ৰদান কৰা হয়। শ্ৰীবৈষ্ণৱে কয়, যে ভাৰতীয় ৰে'লৱে ২০২৬ চনৰ বাবে ছটা নতুন সংকল্প লৈছে। এই সংকল্পকেইটা হৈছে ৫২ সপ্তাহৰ ভিতৰত পদ্ধতিগত সংস্কাৰ, ৰে'লসেৱাৰ নিৰ্ভৰশীলতা আৰু উৎপাদনশীলতা বৃদ্ধিৰ বাবে প্ৰযুক্তি তথা কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ, ৰে'ল ব্যৱস্থাপনাৰ মান উন্নীত কৰা, সুৰক্ষা বৃদ্ধি আৰু ঔপনিৱেশিক মানসিকতা পৰিহাৰ কৰা। শ্ৰীবৈষ্ণৱে লগতে কয়, যে এটা নতুন প'ৰ্টেলে ভাৰতীয় ৰে'লৱেক ষ্টাৰ্টআপ আৰু উদ্ভাৱকসকলৰ সৈতে সংযোগ কৰিব আৰু ব্যৱস্থাপনা কাৰ্যত কৃত্ৰিম বুদ্ধিমত্তাক ব্যাপকভাৱে ব্যৱহাৰ কৰা হ'ব।

ooooo

হিমাচল প্ৰদেশৰ ছিৰম'ৰ জিলাৰ হৰিপুৰধাৰৰ সমীপত কালি এখন যাত্ৰীবাহী বাছ দ খাৱৈত বাগৰি পৰাৰ ফলত ১৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেকেইজন লোক গুৰুতৰভাৱে আহত হয়। ৬৬ জন যাত্ৰী কঢ়িয়াই নিয়া বাছখন ছলানৰ পৰা হৰিপুৰধাৰ অভিমুখে গৈ আছিল। দুৰ্ঘটনাৰ খবৰ পোৱা মাত্ৰেই স্থানীয় লোক আৰু জিলা প্ৰশাসনে অঞ্চলটোত তাৎক্ষণিকভাৱে উদ্ধাৰ অভিযান চলায়। হিমাচল প্ৰদেশৰ

উপ-মুখ্যমন্ত্ৰী মুকেশ অগ্নিহোত্ৰীয়ে দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে। সাংবাদিক আগত শ্ৰীঅগ্নিহোত্ৰীয়ে কয়, যে আহতসকলক নিকটৱৰ্তী কেইবাখনো হাস্পতালত ভৰ্তি কৰোৱা হৈছে আৰু প্ৰশাসনে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। এই দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ জনাৰ বাবে তদন্তৰো নিৰ্দেশ দিয়া হৈছে বুলি উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ৰাষ্ট্ৰপতী শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাছ দুৰ্ঘটনাত নিহতসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতী শ্ৰীমতী মুৰ্মুৱে এই ঘটনাক অতি হৃদয়বিদাৰক বুলি উল্লেখ কৰে। তেওঁ নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে নিহতসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলৰ বাবে ৫০ হাজাৰ টকাৰ  এককালীন সাহায্য ঘোষণা কৰিছে।

ooooo

দেশৰ প্ৰতিটো শিশুৱে গুণগত শিক্ষাৰ সুবিধা লাভ কৰিলেহে ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ভাৰতলৈ ৰূপান্তৰ কৰাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰ্শন উপলব্ধি কৰিব পৰা যাব। নতুন দিল্লীত কালি তৃতীয় পৰ্যায়ৰ সমগ্ৰ শিক্ষাৰ অংশীদাৰসকলৰ সৈতে এখন পৰামৰ্শ বৈঠকত অংশ লৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এনেদৰে প্ৰকাশ কৰে। দ্বাদশ শ্ৰেণীলৈকে ১০০ শতাংশ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ গুৰুত্বত আলোকপাত কৰি শ্ৰীপ্ৰধানে আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰা, শিক্ষণ পদ্ধতি উন্নীতকৰণ তথা শিক্ষকসকলৰ সামৰ্থ বৃদ্ধিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰূপায়ণ হোৱাৰ ৫ বছৰৰ পাছত দেশে ৰাষ্ট্ৰীয় বিকাশৰ লক্ষ্যৰ সৈতে সামঞ্জস্য ৰাখি শৈক্ষিক সংস্কাৰৰ নতুন পৰ্যায়ত প্ৰৱেশ কৰিছে। বৈঠকত অংশ লৈ শিক্ষা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে কয়, যে তৃতীয় পৰ্যায়ৰ সমগ্ৰ শিক্ষাৰ দৰে আঁচনিসমূহ তৃণমূল পৰ্যায়ৰ পৰা ফলপ্ৰসু ৰূপায়ণে এই আঁচনিসমূহক অধিক কাৰ্যকৰী কৰি তোলে। তেওঁ লগতে কয়, যে সমগ্ৰ শিক্ষাই শৈক্ষিক সংস্কাৰৰ ঊৰ্ধত ছাত্ৰ-ছাত্ৰীসকলক কামৰ বাবে, ভৱিষ্যৎ জীৱন আৰু দ্ৰুত পৰিৱৰ্তিত অৰ্থনীতিৰ সৈতে খাপ খোৱাকৈ গঢ়ি তোলে। সমগ্ৰ শিক্ষা হৈছে বিদ্যালয় শিক্ষাৰ বাবে সংহত আৰু কেন্দ্ৰীয়ভাৱে প্ৰযোজিত আঁচনি যাৰ জৰিয়তে প্ৰাক প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ কোনোধৰণৰ বিভাজন নোহোৱাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে গ্ৰহণ কৰা হৈছে।

ooooo

ভাৰতৰ পি ভি সিন্ধু কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অপেন ছুপাৰ-১০০০ বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত আজি চীনৰ ৱেং জি ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কোৱাৰ্টাৰ ফাইনেলত জাপানৰ আকানে য়ামাগুচি আঘাতৰ বাবে আধাতে খেল এৰাত দুবাৰকৈ অলিম্পিক পদক বিজেতা পি ভি সিন্ধুৱে ছেমি ফাইনেলত প্ৰৱেশ কৰে। সিন্ধুৱে আৰম্ভণিতে তিনিবাৰৰ বিশ্ব চেম্পিয়ন য়ামাগুচিক ২১-১১ গেমত পৰাস্ত কৰে। ইপিনে প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটী কালি কোৱাৰ্টাৰ ফাইনেলত ইন্দোনেছিয়াৰ যুটী ফাজাৰ আলফিয়ান আৰু মহম্মদ ফিক্ৰিৰ হাতত ১০-২১, ২১-২৩ গেমত পৰাস্ত হোৱাত প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

ooooo

সমাপ্ত